# প্ৰাক্-প্ৰাথমিক

# অসমীয়া সাহিত্য

(প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ বাবে)



গ্ৰুহিলচ্

©STARVALT DESIGN

প্ৰাক্-প্ৰাথমিক

# অসমীয়া সাহিত্য

(প্ৰাক্-প্ৰাথমিক শ্ৰেণীৰ বাবে)

প্ৰণেতা

গ্ৰুহিলচ্ পাবিশ্বিং লিখক সমিতি

গ্ৰুহিলচ্ পাব্লিশ্বিং

কমলপুৰ, বৰপেটা (অসম)

**PRAK-PRATHAMIK ASOMIYA SHAHITYA- A TEXT BOOK OF ASSAMESE FOR CLASS PRE-PRIMARY/ UPPER KINDERGARTEN OR EQUIVALENT** composed by Growhills Publishing Writers Board, edited by Growhills Publishing Editorial Board and Published by Growhills Publishing.

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system or transmitted in any form or by any means: electronic, mechanical, photocopying recording or otherwise.

This book is especially designed to meet the long-felt demand of private educational institutes of North-east India. The materials have been compiled and edited from various sources. The publisher is not aware of any copyright violations in any form which has been incurred while preparing this book. We are ready to appreciate and take immediate action to rectify and overcome such thing which has occurred unintentionally or unknowingly in any form towards anyone incase it is brought to our notice.

Any dispute is subject to Barpeta Jurisdiction.

**First Publication: 2017**

**Price : Rs ................ /-**

**Published by**
**GROWHILLS PUBLISHING**
**KAMALPUR, BARPETA (ASSAM)**

# পাঠ্যপুথি প্ৰণয়ন আঁচনিৰ আগকথা

সাম্প্ৰতিক কালত আমাৰ দেশত জনসংখ্যা বৃদ্ধিৰ অনুপাতত চৰকাৰী পৃষ্ঠপোষকতাত পৰিচালিত শিক্ষানুষ্ঠানৰ সংখ্যা বৃদ্ধি পোৱা নাই। সেয়ে আমাৰ দেশত, বিশেষকৈ আমাৰ অসমত, ব্যক্তিগত উদ্যমত বহুতো বেচৰকাৰী শিক্ষানুষ্ঠান গঢ়ি উঠিছে। কিন্তু চৰকাৰে ব্যক্তিগত উদ্যোগত স্থাপন হোৱা শিক্ষানুষ্ঠানসমূহৰ প্ৰতি পিঠি দি আছে। এক সমীক্ষাৰ পৰা জনা গৈছে যে বৰ্তমান ক্ৰমঃবৰ্ধিত সংখ্যক ল'ৰা-ছোৱালীৰ বাবে প্ৰয়োজন হোৱা পৰ্যাপ্ত চৰকাৰী বিদ্যালয়ৰ অভাৱত আমাৰ অসমৰ মুঠ ছাত্ৰ -ছাত্ৰীৰ ৪৫ শতাংশই ব্যক্তিগত বিদ্যালয়ত নামভৰ্তি কৰিবলৈ বাধ্য হৈছে। আনহাতে বেচৰকাৰী বিদ্যালয়সমূহে বিত্তীয় আৰু উপযুক্ত আন্তঃগাঁথনিৰ অভাৱত ভুগি থকাৰ ওপৰিও সেইবোৰে যি জলন্ত সমস্যাত ভুগি আছে সেয়া হৈছে পাঠ্যপুথিৰ অভাৱ। এয়া দুখৰ বিষয় যে ব্যক্তিগত বিদ্যালয়সমূহত চৰকাৰে কোনো পাঠ্যপুথি যোগান নধৰে। সেয়ে বেচৰকাৰী বিদ্যালয়সমূহে হয় নিজাববীয়াকৈ নাইবা অন্য ৰাজ্যৰ পৰা পাঠ্যপুথি আমদানি কৰিবলগা হৈছে। কিন্তু এনে পাঠ্যক্ৰমত সংহতি আৰু উপযুক্ত মানদণ্ডৰ অভাৱ পৰিলক্ষিত হোৱাত বেচৰকাৰী শিক্ষানুষ্ঠানসমূহে দুৰ্যোগ ভুগি আছে। এই দুৰ্যোগ দূৰ কৰাৰ উদ্দেশ্য লৈ গ্ৰহিলচ্ পাব্লিশ্বিং (প্ৰকাশন উদ্যোগ)ৰ তৰফৰ পৰা বেচৰকাৰী শিক্ষানুষ্ঠানসমূহৰ বাবে পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশৰ বাবে এক দুঃসাহসিক অভিযান আৰম্ভ কৰা হৈছে।

আমাৰ লক্ষ্য হৈছে চৰকাৰী সহায়-সহযোগিতা আৰু পৃষ্ঠপোষকতা নোপোৱা বেচৰকাৰী বিদ্যালয়সমূহৰ বাবে এক সুসংহত, সুপৰিকল্পিত পাঠ্যপুথি প্ৰণয়ন কৰা, প্ৰকাশ কৰা আৰু সুলভ মূল্যত যোগান ধৰা।

আমাৰ আঁচনিৰ সফল ৰূপায়ন কৰাৰ বাবে বহুকেইজন অভিজ্ঞ শিক্ষক-শিক্ষয়িত্ৰী, অধ্যাপক-অধ্যাপিকাক লৈ আমি 'গ্ৰহিলচ্ পাব্লিশ্বিং পাঠ্যপুথি গৱেষক সমিতি', 'গ্ৰহিলচ্ পাব্লিশ্বিং লিখক সমিতি' আৰু 'গ্ৰহিলচ্ পাব্লিশ্বিং সম্পাদনা সমিতি' নামৰ তিনিখন সমিতি গঠন কৰিছোঁ। ইয়াৰ লগতে আমি সময়ে সময়ে বিশিষ্ট শিক্ষাবিদ, গৱেষক আৰু চিন্তাবিদসকলৰ দিহা-পৰামৰ্শ গ্ৰহণ কৰি আছোঁ।

আমাৰ আঁচনিৰ পাঠ্যপুথি প্ৰণয়ন কৰোতে আমি ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে যুগুতোৱা ৰূপৰেখাৰ আধাৰত প্ৰৱৰ্তন কৰা পাঠ্যপুথিসমূহক আৰ্হি হিচাপে লৈছোঁ যদিও আমি আমাৰ গৱেষক সমিতিয়ে নিজাববীয়াকৈ যুগুতোৱা আৰ্হিও অনুকৰণ কৰিছোঁ।

পাঠ্যপুথি প্ৰস্তুতকৰণৰ সময়ত ৰাজ্যৰ স্থানীয় বৈশিষ্ট্য, পৰিবেশ, পৰম্পৰা, আৰ্থ-সামাজিক ভেটি আদিৰ প্ৰতি গুৰুত্ব দিয়া হৈছে। লগতে যুগসাপেক্ষ তথা পৰিৱৰ্তিত পৰিস্থিতিৰ কথাও মনত ৰখা হৈছে। ভাষা, শব্দ চয়ন আৰু বানানৰ ক্ষেত্ৰত আমি হেমচন্দ্ৰ বৰুৱাৰ 'হেমকোষ' আৰু 'চন্দ্ৰকান্ত অভিধান' অনুকৰণ কৰিছোঁ।

**প্ৰাক্-প্ৰাথমিক অসমীয়া সাহিত্য** কিতাপখন প্ৰাক-প্ৰাথমিক শ্ৰেণী /উচ্চ কিণ্ডাৰগাৰ্ডেন আৰু সমপৰ্যায়ৰ শ্ৰেণীৰ বাবে প্ৰণয়ন কৰা হৈছে। কিতাপখন প্ৰণয়ন কৰাৰ মূল উদ্দেশ্য হ'ল ল'ৰা-ছোৱালীহঁতক অসমীয়া বৰ্ণমালাৰ লগত চিনাকী কৰি দিয়া। অসমীয়া ভাষাৰ আখৰ জোঁটনি অন্যান্য ভাষাৰ, বিশেষকৈ ইংৰাজী ভাষাৰ আখৰ জোঁটনিৰ তুলনাত জটিল। আমাৰ গৱেষক সমিতিৰ মতে প্ৰাক্-প্ৰাথমিক পৰ্যায়ত স্বৰচিহ্নৰ প্ৰয়োগ আৰু যুক্তাক্ষৰ শিকাবলৈ চেষ্টা নকৰাটো যুক্তিসংগত কাৰণ এই স্তৰত ল'ৰা-ছোৱালীসকল চালুকীয়া অৱস্থাত থাকে। কিতাপখনৰ শেষাংশত কেইটিমান পদ্য সংযোজন কৰা হৈছে। এইবোৰ ছাত্ৰ-ছাত্ৰীসকলক মুখস্থ কৰোৱাৰ বাবে জোৰ নিদি শিক্ষক-শিক্ষয়িত্ৰীয়ে শুদ্ধকৈ পঢ়ি শুনাব। এই শ্ৰেণীত ল'ৰা-ছোৱালীহঁতক বৰ্ণমালাৰ আখৰবোৰ লিখিবলৈ শিকাব যদিও শিকিব লাগিবই বুলি জোৰ নিদিব।


আমাৰ আঁচনিত বহুতো পণ্ডিত আৰু গণ্যমান্য সমল ব্যক্তিৰ লগতে কেইবাটাও বেচৰকাৰী সংগঠন (N. G. O.) য়ে পৃষ্ঠপোষকতা, সহযোগ আৰু উৎসাহ-উদ্দীপনা আগবঢ়াইছে। তেখেতসকললৈ আমি আমাৰ হিয়াৰ অভ্যন্তৰৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনালোঁ।


জানুৱাৰী, ২০১৭


প্ৰকাশক
গ্ৰহিলচ্ পাব্লিশ্বিং

# ছবিৰ সৈতে অসমীয়া বৰ্ণমালা

## স্বৰবৰ্ণ (অ-ফলা)


অ

অমিতা

আ

আপেল

ই

ইস্ত্ৰি

ঈ

ঈগল

উ

উট

ঊ


ঊণ সূতা


ঋ

ঋষি

এ

এন্দুৰ

ঐ

ঐৰাৱত

ও

ওল-কবি

ঔ

ঔষধ

# স্বৰবৰ্ণ

অ আ ই ঈ

উ ঊ ঋ

এ ঐ ও ঔ

## অনুশীলনী

১। তলত দিয়া সানমিহলি বৰ্ণবোৰ পঢ়া।

ই উ এ ঋ ও অ

ঊ আ ঐ ঈ ঔ

২। তলত দিয়া খালী ঘৰবোৰ পূৰণ কৰা।

| | | | |
|---|---|---|---|
| অ | | ই | |

| | | |
|---|---|---|
| উ | | ঋ |

| | | | |
|---|---|---|---|
| এ | | ও | |

৩। তলত দিয়া স্বৰবৰ্ণবোৰ ফলিত লিখা।

অ আ ই ঈ


উ ঊ ঋ


এ ঐ ও ঔ


# ক-ফলা (ব্যঞ্জনবৰ্ণ)


ক


কাউৰী


খ

খাৰু

গ

গৰু

ঘ

ঘোঁৰা

ঙ

নাঙল

চ

চকা


ছ

ছাগলী

জ

জগ


ঝ

ঝাড়ু


ঞ

জিঞা

ট


টকা


ঠ

কঁঠাল

ড
ডালিম

ঢ

ঢোল


ণ


কাণ


ত

তলা

থ

থাল

দ

দলং

ধ

ধনুকাঁড়


ন

নাও


প


পাৰ চৰাই

ফ

ফৰিং

ব

বটল

ভ

ভাটৌ


ম

মাছ

য

যঁতৰ


ৰ


ৰঙালাও

ল

লিচু

ৱ



দোৱাত


শ

শহাপহু


ষ

ষাঁড়গৰু


স

সাপ

হ

হাঁহ

ক্ষ

ক্ষুৰ

ড়

গঁড়

ঢ়

পঢ়াশালি

য়

য়াক

ৎ


চিকিৎসক

ং

ৰং

ঃ

দুঃখ

ঁ

কেঁচী

# ক-ফলা (ব্যঞ্জনবৰ্ণ)

| | | | | |
|---|---|---|---|---|
| ক | খ | গ | ঘ | ঙ |
| চ | ছ | জ | ঝ | ঞ |
| ট | ঠ | ড | ঢ | ণ |
| ত | থ | দ | ধ | ন |
| প | ফ | ব | ভ | ম |
| | য | ৰ | ল | ৱ |
| | শ | ষ | স | হ |
| | ক্ষ | ড় | ঢ় | য় |
| | ৎ | ং | ঃ | ঁ |

## অনুশীলনী

১। তলত দিয়া সানমিহলি বৰ্ণবোৰ পঢ়া।

| | | | | | |
|---|---|---|---|---|---|
| গ | ঔ | ফ | প | ঙ | ব |
| ক | ত | থ | দ | ঝ | ড |
| ঈ | ঢ | চ | ক্ষ | ণ | ল |
| ঢ় | ছ | উ | ব | ঠ | য় |
| ধ | ন | ড | ভ | ড় | ঞ |
| ঃ | ট | জ | শ | ষ | ফ |
| য় | ৎ | ং | অ | ঊ | ঋ |
| হ | ই | ৰ | ৱ | আ | খ |
| ঢ | ম | য | ও | এ | ঐ |
| স | ঁ | | | | |

## ২। তলত দিয়া খালী ঘৰবোৰত কি বৰ্ণ হ'ব কোৱা।

| | | | | |
|---|---|---|---|---|
| ক | | গ | | ঙ |
| | ছ | | ঝ | |
| ট | | ড | | ণ |
| | থ | | ধ | |
| প | | ব | | ম |
| | য | | ল | |
| | | ষ | | হ |
| | ক্ষ | | ড় | |
| | | ং | | ঁ |

৩। তলত দিয়া বৰ্ণবোৰ পঢ়া আৰু খালী ঘৰবোৰত লিখা

| ক | খ | গ | ঘ | ঙ |
|---|---|---|---|---|
| | | | | |

| চ | ছ | জ | ঝ | ঞ |
|---|---|---|---|---|
| | | | | |

| ট | ঠ | ড | ঢ | ণ |
|---|---|---|---|---|
| | | | | |

| ত | থ | দ | ধ | ন |
|---|---|---|---|---|
| | | | | |

| প | ফ | ব | ভ | ম |
|---|---|---|---|---|
| | | | | |

য ৰ ল ৱ

শ ষ স হ

ক্ষ ড় ঢ় য়

ৎ ং ঃ ঁ

৪। তলত দিয়া বৰ্ণবোৰ পঢ়া আৰু ফলিত লিখা।

ঈ ট চ ক্ষ ণ ল

ঢ় ছ উ ব ঠ য়

# শব্দ গঠন


## দুটা বৰ্ণৰে গঠিত শব্দ



আ + ম = আম



ফ + ল = ফল



ক + ল = কল





এ + ক = এক




গ + ছ = গছ



উ + ট = উট



ঘ + ৰ = ঘৰ



ৰ + থ = ৰথ




ব + ল = বল

## অনুশীলনী

তলত দিয়া শব্দবোৰ বানান কৰি পঢ়া আৰু লিখা

| | | |
|---|---|---|
| ক ঠ = কঠ | ভ য় = ভয় | প ঢ় = পঢ় |
| ম ঠ = মঠ | ধ ৰ = ধৰ | হ য় = হয় |
| ম ন = মন | দ ল = দল | জ য় = জয় |


# তিনিটা বৰ্ণৰে গঠিত শব্দ





ম+ট+ৰ = মটৰ




ঈ+গ+ল = ঈগল



ক+ল +হ = কলহ



ন+য়+ন = নয়ন



ক+ল+ম = কলম



অ+স +ম = অসম



অ+ক+ন = অকন



ঔ+ষ +ধ= ঔষধ



চ+ৰ+ণ = চৰণ

## অনুশীলনী

তলত দিয়া শব্দবোৰ বানান কৰি পঢ়া আৰু লিখা।

চ হ ৰ = চহৰ
ন গ ৰ = নগৰ
ত গ ৰ = তগৰ
প ৱ ন = পৱন
ব ছ ৰ = বছৰ
ভ ক ত = ভকত

স ৰ ল = সৰল
স হ জ = সহজ
জ গ ত = জগত
প ল ম = পলম
গ ৰ ম = গৰম
ফ চ ল = ফচল

# চাৰিটা বৰ্ণৰে গঠিত শব্দ

স+ম+ল+য় = সমলয়

খ+ল+ম+ল = খলমল

জ+ন+গ+ণ = জনগণ

অ+জ+গ+ৰ = অজগৰ

দ+শ+ৰ+থ = দশৰথ

স+ম+ত+ল = সমতল

ধ+ৰ+ফ+ৰ = ধৰফৰ

ট+ল+ম +ল = টলমল

ক+ছ+ৰ+ৎ = কছৰৎ

স+ম+দ +ল = সমদল

আ+চ+ৰ +ণ = আচৰণ

অ+স+ম +য় = অসময়

## অনুশীলনী

তলত দিয়া শব্দবোৰ বানান কৰি পঢ়া আৰু লিখা।

হ জ ৰ ত = হজৰত

অ ঘ ট ন = অঘটন

প ৱ ন = পৱন

জ গ ত = জগত

প ল ম = পলম

ব ছ ৰ = বছৰ

ভ ক ত = ভকত

স ৰ ল = সৰল

স হ জ = সহজ

হ য় = হয়

ধ ৰ = ধৰ

দ ল = দল

ক ল = কল

ম ল = মল

ছ ল = ছল

হ ল = হল

আ ঠ = আঠ

ছ য় = ছয়

ব ৰ = বৰ

# বাক্য গঠন

কমল আহ।
কলম আন।
সৎ হ।
ভয় নকৰ।
ৰথ ধৰ।
ৰণ কৰ।



অকনৰ ঘৰ নগৰত।
নগৰত গছ কম।
নগৰত বৰ বৰ ঘৰ।
নগৰত বৰ গৰম।



ৰমনৰ বৰ ভয়।
টম, তই কছৰৎ কৰ।
ৰমন দশৰথৰ বৰ মৰমৰ।
অসময়ত অঘটন নকৰ।
জগত সৰল নহয়।



# স্বৰবৰ্ণৰ চিনবোৰ

## আ = া

া এই চিনটোক আ-কাৰ বোলে। আ-কাৰ আখৰৰ পিছত বহে। যেনে ঃ

ক + আ = কা (ক ত আকাৰে কা)

খ + আ = খা (খ ত আকাৰে খা)

গ + আ = গা (গ ত আকাৰে গা)

ঘ + আ = ঘা (ঘ ত আকাৰে ঘা)

ধান আন মান ভাল পান দান মাঠ

পাঠ কাট চহা ৰহা মহা

## ই = ি

ি এই চিনটোক হ্ৰস্ব ই-কাৰ বোলে। হ্ৰস্ব ই-কাৰ আখৰৰ আগত বহে। যেনে ঃ

ক + ই = কি (ক ত হ্ৰস্ব ই কাৰে কি)

খ + ই = খি (খ ত হ্ৰস্ব ই কাৰে খি)

গ + ই = গি (গ ত হ্ৰস্ব ই কাৰে গি)

ঘ + ই = ঘি (ঘ ত হ্ৰস্ব ই কাৰে ঘি)

অতি মতি ৰবি কবি কফি ৰাতি
বাতি ছাতি পাবি হাবি ছবি লবি

# ঈ = ী

ী এই চিনটোক দীৰ্ঘ ঈ-কাৰ বোলে। দীৰ্ঘ ঈ-কাৰ আখৰৰ পিছত বহে। যেনে ঃ

ক + ঈ = কী (ক ত দীৰ্ঘ ঈ কাৰে কী)
খ + ঈ = খী (খ ত দীৰ্ঘ ঈ কাৰে খী)
গ + ঈ = গী, (গ ত দীৰ্ঘ ঈ কাৰে গী)
ঘ + ঈ = ঘী (ঘ ত দীৰ্ঘ ঈ কাৰে ঘী)

বীৰ ধীৰ পীৰ নীৰ কণী বাণী
গাড়ীৰাণী পানী বাণী হাতী কাঠী

# উ = ু

ু এই চিনটোক হ্ৰস্ব উ-কাৰ বোলে। হ্ৰস্ব উ-কাৰ আখৰৰ তলত বহে। যেনে ঃ

ক + উ = কু (ক ত হ্ৰস্ব উ- কাৰে কু)
খ + উ = খু (খ ত হ্ৰস্ব উ- কাৰে খু)
গ + উ = গু, গু (গ ত হ্ৰস্ব উ- কাৰে গু, গু)

ঘ + উ = ঘু (ঘ ত হ্ৰস্ব উ-কাৰে ঘু)

মুখ দুখ সুখ ফুল তুল পুলি

কুৰি বকুলহাতুল আকুল নকুল কুকুৰ

# ঊ = ূ

ূ এই চিনটোক দীৰ্ঘ ঊ-কাৰ বোলে। দীৰ্ঘ ঊ-কাৰ আখৰৰ তলত বহে। যেনে ঃ

ক + ঊ = কূ (ক ত দীৰ্ঘ ঊ-কাৰে কূ)

খ + ঊ = খূ (খ ত দীৰ্ঘ ঊ-কাৰে খূ)

গ + ঊ = গূ (গ ত দীৰ্ঘ ঊ-কাৰে গূ)

ঘ + ঊ = ঘূ (ঘ ত দীৰ্ঘ ঊ-কাৰে ঘূ)

ধূপ মূৰ কূপ তূলা ধূণা সূতা

পূৰা পূৰণ নূপুৰ ঘূৰণী গধূলি পদূলি

# ঋ = ৃ

ৃ এই চিনটোক ঋ-কাৰ বোলে। ঋ-কাৰ আখৰৰ তলত বহে। যেনে ঃ

ক + ঋ = কৃ (ক ত ঋ-কাৰে কৃ)

খ + ঋ = খৃ (খ ত ঋ-কাৰে খৃ)

গ + ঋ = গৃ (গ ত ঋ-কাৰে গৃ)

ঘ + ঋ = ঘৃ (ঘ ত ঋ-কাৰে ঘৃ)

তৃণ মৃগ গৃহ দৃঢ় মাতৃ পিতৃ

কৃষক পৃথক পৃথিৱী নৃপতি বিকৃতি আকৃতি

# এ = ে

ে এই চিনটোক এ -কাৰ বোলে। এ -কাৰ আখৰৰ আগত বহে। যেনে ঃ

ক + এ = কে (ক ত এ-কাৰে কে)

খ + এ = খে (খ ত এ-কাৰে খে)

গ + এ = গে (গ ত এ-কাৰে গে)

ঘ + এ = ঘে (ঘ ত এ-কাৰে ঘে)

কেক পেক লেখ মেল ৰেল বেল

তেল বেলি মেলি এতেকে কেতেকী গতিকে

# ঐ = ৈ

ৈ এই চিনটোক ঐ -কাৰ বোলে। ঐ -কাৰ আখৰৰ আগত বহে। যেনে ঃ

ক + ঐ = কৈ (ক ত ঐ-কাৰে কৈ)

খ + ঐ = খৈ (খ ত ঐ-কাৰে খৈ)

গ + ঐ = গৈ (গ ত ঐ-কাৰে গৈ)

ঘ + ঐ = ঘৈ (ঘ ত ঐ-কাৰে ঘৈ)

জাকৈ খালৈ আখৈ নৈশ খৈয়া বৈয়া

নৈতিক সৈনিক দৈনিক মৈদাম কৰৈ বৰদলৈ

# ও = ো

ো এই চিনটোক ও-কাৰ বোলে। ও-কাৰ আখৰৰ দুয়োফালে বহে। যেনে ঃ

ক + ও = কো (ক ত ও-কাৰে কো)

খ + ও = খো (খ ত ও-কাৰে খো)

গ + ও = গো (গ ত ও-কাৰে গো)

ঘ + ও = ঘো (ঘ ত ও-কাৰে ঘো)

খোজ শোক জোন কোণ সোণ বোল মোহ

নোম সপোন দাপোণ কেৰোণ টোপোলা জোপোহা

# ঔ = ৌ

ৌ এই চিনটোক ঔ-কাৰ বোলে। ঔ-কাৰ আখৰৰ দুয়োফালে বহে। যেনে ঃ

ক + ঔ = কৌ (ক ত ঔ-কাৰে কৌ)

খ + ঔ = খৌ (খ ত ঔ-কাৰে খৌ)
গ + ঔ = গৌ (গ ত ঔ-কাৰে গৌ)
ঘ + ঔ = ঘৌ (ঘ ত ঔ-কাৰে ঘৌ)

আকৌ হলৌ নিতৌ দৌৰ ভাটৌ দিখৌ
যৌতুক কৌশিক কৌশল কৌতুক কলমৌ চৌধাৰী

## অনুশীলনী

৪। তলত দিয়া শব্দবোৰ বানান কৰি পঢ়া আৰু লিখা।

| | | | | | |
|---|---|---|---|---|---|
| জয় | ৰণ | কাঠ | জাক | হাজাৰ | জাহাজ |
| তিতা | মিঠা | শিখা | হিয়া | চিকাৰ | জাৰণি |
| বীৰ | ভীম | সীমা | সখী | জীয়ৰী | গৰাকী |
| বুঢ়া | বুঢ়ী | মধু | সুখী | সুহুৰি | কাকূতি |
| দূত | পূৰ | পূৰ | সূচী | নূপুৰ | পূৰঠ |
| কৃত | ধৃত | মৃগ | বৃষ | গৃহীত | তৃতীয় |
| ছেও | ডেও | মেও | তেল | নেওতা | জেতুকা |
| আৰৈ | খালৈ | গৰৈ | নৈশ | মৈলাম | সৈমান |
| খোজ | ঢোল | পোনা | ডোল | গোলাপ | সোৰোপা |
| কপৌ | আকৌ | নিতৌ | ডৌকা | কলমৌ | সৌমাৰ |
| বহাগ | আহিন | বিশেষ | সোৰোপা | ৰবৈয়া | থেৰেকা |

# অকনি



মোৰ নাম অকনি দাস।
মোৰ দেউতাৰ নাম নগেন দাস।
মোৰ মাকৰ নাম মুনমি দাস।
মোৰ দেউতা এজন খেতিয়ক।
মোৰ মাক এজনী শিপিনী।
আমাৰ গাওঁৰ নাম চেলেকা পথাৰ।
আমাৰ বিদ্যালয়ৰ নাম ৰংবীৰ শিশু নিকেতন।
মই প্ৰাক্-প্ৰাথমিক শ্ৰেণীত পঢ়োঁ।
সুজিতা মোৰ ভনী।
তাই অংকুৰ শ্ৰেণীত পঢ়ে।
ৰমেন মোৰ ককায়েক।
তেওঁ পঞ্চম শ্ৰেণীত পঢ়ে।
আমি নিয়মিত লিখা-পঢ়া কৰোঁ।
আমাৰ শিক্ষক-শিক্ষয়িত্ৰীয়ে আমাক বৰ মৰম কৰে।

# লগে-ভাগে গাওঁ আহাঁ

(১)

আহাঁ, আহাঁ, আহাঁ
বল খেলোঁ আহাঁ,
খেলিম আমি লুকা-ভাকু
লগে ভাগে আহাঁ।



খেলিম আমি টাংগুটি
খাই লৈ ৰুটি,
আৰু খেলিম ৰজা-ৰাণী
খাই চৰবৎ পানী।

(২)





এচকলা আপেল
দিয়াচোন মোক,
আৰু খাম মাটিকঁঠাল
পলাব মোৰ ভোক।

বগৰী আৰু কমলা
খাই ভাল লাগে,
আহাঁ আমি সকলোৰে
খাওঁ লগে-ভাগে।

(৩)

এই মোৰ দুই হাত
কাম কৰি থাকোঁ,
এই মোৰ দুই ভৰি
ফুৰা-চকা কৰোঁ।



এই মোৰ দুই চকু
ধুনীয়া ধৰণী চাওঁ,
এই মোৰ দুই কাণ
গীত শুনিবলৈ পাওঁ।

(৪)



তাইৰ  নাম আইমণি
অকনমান মন,
ৰাতিপুৱা শুই উঠি
পঢ়াত দিয়ে মন।
সকলোৰে চকুৰ মণি
আইৰ আচলৰ ধন।

# ১ ৰপৰা ৫০ লৈ অসমীয়া সংখ্যা

| | | | | |
|---|---|---|---|---|
| ১ | ১১ | ২১ | ৩১ | ৪১ |
| ২ | ১২ | ২২ | ৩২ | ৪২ |
| ৩ | ১৩ | ২৩ | ৩৩ | ৪৩ |
| ৪ | ১৪ | ২৪ | ৩৪ | ৪৪ |
| ৫ | ১৫ | ২৫ | ৩৫ | ৪৫ |
| ৬ | ১৬ | ২৬ | ৩৬ | ৪৬ |
| ৭ | ১৭ | ২৭ | ৩৭ | ৪৭ |
| ৮ | ১৮ | ২৮ | ৩৮ | ৪৮ |
| ৯ | ১৯ | ২৯ | ৩৯ | ৪৯ |
| ১০ | ২০ | ৩০ | ৪০ | ৫০ |